**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 29-07-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
*::::::::::::::::::::::::::::::::::::*

১। লোকসভাত আজি লোক পৰীক্ষা, অসাধু পন্থা প্ৰতিৰোধী সংশোধনী বিধেয়ক, ২০২৬ গৃহীত হয়।
২। ৰাজ্যসভাই আজি ৰাষ্ট্ৰীয় সন্মান অপমান প্ৰতিৰোধ সংশোধনী বিধেয়ক ২০২৬ গ্ৰহণ কৰে।
৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপন আৰু সাহায্য প্ৰদান প্ৰক্ৰিয়াৰ বুজ লয়।
৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে মাদক দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে এশ সপ্তাহজোৰা বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ সংকল্প অভিযান মুকলি কৰিব। ***আৰু***
৫। গ্লাচগ'ত অনুষ্ঠিত কমনৱেল্থ গেমছৰ বক্সিঙত আজি মহিলাৰ ৫১ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ সাক্ষী চৌধুৰীয়ে ছেমিফাইনেলত প্ৰৱেশ কৰে।

০০০০০

লোকসভাত আজি লোক পৰীক্ষা, অসাধু পন্থা প্ৰতিৰোধী সংশোধনী বিধেয়ক, ২০২৬ গৃহীত হয়। বিধেয়কখনৰ জৰিয়তে ২০২৪ চনৰ লোক পৰীক্ষা অসাধু পন্থা আইনখনৰ সংশোধন কৰিব বিচৰা হৈছে। বিধেয়কখনত ১০ বছৰৰ কাৰাবাস, ১০ কোটি টকা পৰ্যন্ত জৰিমণা আৰু দোষী সাব্যস্ত হোৱা অপৰাধীৰ সম্পত্তি বাজেয়াপ্তকে ধৰি কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছে। এই পৰীক্ষাৰ সৈতে জড়িত গোচৰসমূহৰ নিস্পত্তিৰ নিশ্চিতিৰ বাবে প্ৰত্যেক ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক দৈনিক শুনানিৰ বাবে দ্ৰুত আদালত স্থাপনৰ অধিকাৰ প্ৰদান কৰা হৈছে। আৰক্ষী থানাত তথ্যসমূহ লিপিবদ্ধ হোৱাৰ পৰা দুমাহৰ ভিতৰত গোচৰসমূহৰ তদন্ত সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰা হৈছে।

বিধেয়কখনৰ সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰত জন অভিযোগ আৰু পেঞ্চন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ডঃ জীতেন্দ্ৰ সিঙে এই বিধেয়কখনে সংশোধনী আইনখনক অধিক কঠোৰ কৰি তোলাৰ বাবে ন্যায় প্ৰদান প্ৰক্ৰিয়া তীব্ৰতৰ কৰি তোলাত সহায়ক হ'ব বুলি মন্তব্য কৰে। তেওঁ লগতে উল্লেখ কৰে যে বিধেয়কখনে ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলৰ কল্যানৰ অৰ্থে চৰকাৰৰ দায়বদ্ধতাত দৃঢ়তা প্ৰদান কৰিব।

বাইট-জীতেন্দ্ৰ সিং

জে ডি ইউৰ সাংসদ দিলেশ্বৰ কামাইটে সংসদত এই বিধেয়কখন অনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাই কয়, যে এই বিধেয়কে শিক্ষা ব্যৱস্থাত স্বচ্ছতা বৃদ্ধিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ উজ্বল ভৱিষ্যত সুনিশ্চিত কৰিব। বিধেয়কখনৰ বিৰোধিতা কৰি আৰ এছ পিৰ সাংসদ এন কে প্ৰেমাচন্দ্ৰনে ইয়াত সন্নিবিষ্ট উদ্দেশ্যসমূহ প্ৰাপ্তিৰ ক্ষেত্ৰত বিধেয়কখন পৰ্যাপ্ত নহয় বুলি উল্লেখ কৰে।

বিধেয়কখন গৃহীত সন্দৰ্ভত হোৱা আলোচনাত অংশগ্ৰহণ কৰি বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে কয়, যে দেশৰ শিক্ষা ব্যৱস্থা এতিয়া যথেষ্ট ব্যয়বহুল হৈ পৰিছে। তেওঁ অভিযোগ উত্থাপন কৰে যে নীট ইউ জি পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে হোৱা ব্যয়ৰ পৰিমাণ দেশৰ শিক্ষাখণ্ড লৈ অনুমোদন জনোৱা বাজেটৰ পৰিমাণতকৈও অধিক। তেওঁ লগতে উল্লেখ কৰে যে নীট বিষয়ত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা হোৱা প্ৰতিবাদ কাৰ্য হিংসা বা ঘৃণাৰ প্ৰকাশ নহয়, বৰঞ্চ যুৱক-যুৱতীসকলৰ  মনোভাৱৰ বৰ্হিপ্ৰকাশ আৰু প্ৰতিটো ৰাজনৈতিক দলে এই প্ৰকাশক সন্মান কৰিব লাগিব।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে ৰাহুল গান্ধীয়ে কৰা মন্তব্যক লৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু তীব্ৰ  বিৰোধিতা কৰে। বিধেয়কখন গৃহীত হোৱাৰ পাছত অধ্যক্ষ ওম বিৰলাই কাইলৈ পুৱা এঘাৰ বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

০০০০০

ৰাষ্ট্ৰীয় সন্মান অপমান প্ৰতিৰোধ সংশোধনী বিধেয়ক ২০২৬ আজি ৰাজ্যসভাত গৃহীত হয়। এই বিধেয়কখনৰ জৰিয়তে ১৯৭১ চনৰ ৰাষ্ট্ৰীয় গৌৰৱৰ প্ৰতি অপমান প্ৰতিৰোধ আইনখনক সংশোধন কৰিব বিচৰা হৈছে। প্ৰস্তাৱিত বিধেয়কখনত বন্দে মাতৰমক ৰাষ্ট্ৰীয় সংগীত জন গণ মনৰ সমান সাংবিধানিক সুৰক্ষা কৱচ প্ৰদান কৰিব বিচৰা হৈছে। বিধেয়কখনত এনে অপৰাধৰ বাবে ৩ বছৰ কাৰাদণ্ড, জৰিমণা বা উভয় প্ৰকাৰৰ শাস্তি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

বিধেয়কখন সন্দৰ্ভত উচ্চ সদনত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে বিধেয়কখনৰ সংশোধন অকল আইনী পৰিৱৰ্তন নহয়, বৰং ইয়াৰ জৰিয়তে দেশৰ আত্মা, ৰাষ্ট্ৰীয় চেতনা, সাংস্কৃতিক ঐতিহ্য আৰু স্বাধীনতা সংগ্ৰামৰ আদৰ্শৰাজিৰ প্ৰতি সমূহীয়া প্ৰতিবদ্ধতা প্ৰতিফলিত হৈছে। তেওঁ কয়, যে ১৯৭১ চনত ৰাষ্ট্ৰীয় গৌৰৱৰ অপমান নিয়ন্ত্ৰণ আইনৰ জৰিয়তে ৰাষ্ট্ৰীয় পতাকা সংবিধান আৰু ৰাষ্ট্ৰীয় সংগীত জন গণ মনৰ প্ৰতি সন্মান সুনিশ্চিত কৰাৰ ব্যৱস্থা কৰা হৈছিল। তেওঁ কয় যে বৰ্তমানৰ আইনৰ অধীনত ইচ্ছাকৃতভাৱে বন্দে মাতৰমৰ প্ৰতি   অপমান কৰিলে ইয়াক দণ্ডনীয় বুলি গণ্য কৰা হ'ব। ১৮৭৫ চনত বংকিমচন্দ্ৰ চট্টোপধ্যায়ে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম্ ৰচনা কৰিছিল।   ১৯৩৫ চনত জৱাহৰলাল নেহৰু কংগ্ৰেছৰ সভাপতি হোৱাৰ সময়ত তেওঁ বন্দে মাতৰমক অকল ২ টা কলিতে সীমিত ৰাখিছিল বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে। নেতাজী সুভাষ চন্দ্ৰ বসুই ১৯২৮ চনত কংগ্ৰেছৰ সভাপতি অলংকৃত কৰাৰ সময়ত তেওঁ তিমিৰ বৰন বেনাৰ্জীৰ এই গীতটোৰ পূৰ্ণ আৰু মৰ্যদাপূৰ্ণ সংস্কৰণ প্ৰস্তুত কৰিবলৈ অনুৰোধ জনাইছিল। মন্ত্ৰীগৰাকীয়ে কয়, যে ১৯৪৭ চনৰ ১৫ আগষ্টত চৰ্দাৰ বল্লভ ভাই পেটেলে পণ্ডিত ওমকাৰ নাথ ঠাকুৰক স্বাধীনতাৰ চিনস্বৰূপে পুৱা চাৰে ছয় বজাত আকাশবাণীযোগে বন্দে মাতৰম গোটেই গীতটো পৰিৱেশন কৰিবলৈ অনুৰোধ জনাইছিল।

বাইট-নিত্যানন্দ ৰায়

শ্ৰীৰায়ে কয় যে ১৯৫০ চনৰ ২৪ জানুৱাৰীত ড০ ৰাজেন্দ্ৰ প্ৰসাদে সংবিধানসভাত স্বাধীনতা আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বন্দে মাতৰম গীতটি জন গণ মনৰ সমান মৰ্যাদা প্ৰদান কৰিব লাগে বুলি মন্তব্য কৰিছিল। বন্দে মাতৰমৰ বিৰোধিতা কৰা কাৰ্যই ৰাষ্ট্ৰীয় গৌৰৱৰ আওকান কৰা তোষামোদৰ নীতিক প্ৰতিফলিত কৰে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

অসমৰ বান পৰিস্থিতি সামান্য সুস্থিৰ হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। শেহতীয়া চৰকাৰী প্ৰতিবেদন অনুসৰি শিৱসাগৰ, গোলাঘাট, চৰাইদেউ, শোণিতপুৰ, যোৰহাট, নগাঁও আৰু কামৰূপ মহানগৰ জিলাৰ বহু অঞ্চল এতিয়াও বান প্ৰভাৱিত হৈ আছে। কালি শিৱসাগৰ জিলাত ৭ জন লোকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ফলত বানত প্ৰাণহানি হোৱা লোকৰ সংখ্যা ৭৫ লৈ বৃদ্ধি পাইছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি টেলিফোনযোগে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কথা পাতে আৰু ৰাজ্যখনৰ শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপন আৰু সাহায্য প্ৰদান প্ৰক্ৰিয়াৰ বুজ লয়। তেওঁ সাহায্য, পুনৰ্বাসন আৰু বান ক্ষতিগ্ৰস্ত এলেকাসমূহ পুনৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সাহায্য আগবঢ়াব বুলি আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি গৃহমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে মাদক দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে এশ সপ্তাহজোৰা বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ সংকল্প অভিযান মুকলি কৰিব। এই ৰাষ্ট্ৰজোৰা জন অংশগ্ৰহণ অভিযান মাই ভাৰত মঞ্চৰ জৰিয়তে ৰূপায়ণ কৰা হ'ব। সজাগতা আৰু সমুহীয়া অংশগ্ৰহণৰ জৰিয়তে নিচামুক্ত ভাৰত নিৰ্মাণৰ বাবে যুৱ প্ৰজন্মক সমুহীয়া ৰাষ্ট্ৰীয় অভিযানেৰে ঐক্যবদ্ধ কৰাই এই উদ্যমৰ মূল উদ্দেশ্য। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, মাই ভাৰত স্বেচ্ছাসেৱক, ভাৰত ৰাষ্ট্ৰীয় সেৱা আঁচনি-এন এছ এছ স্বেচ্ছাসেৱক, যুৱ সংঘ, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু ১২৫ টাৰো অধিক আধ্যাত্মিক সংস্থাই এই অভিযানত হাত উজান দিব। ইয়াক যুৱ প্ৰজন্মই মাদক দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে চলোৱা বৃহৎ বিপ্লৱসমূহৰ অন্যতম বুলি গণ্য কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই অভিযানৰ জৰিয়তে পৰৱৰ্তী এশ সপ্তাহলৈ প্ৰতি দেওবাৰে সুস্থ জীৱনশৈলীৰ প্ৰসাৰ, সমুহীয়া অংশগ্ৰহণ আৰু যুৱক-যুৱতীসকলৰ শক্তিক ইতিবাচক ৰাষ্ট্ৰ গঠনৰ কামত খটোৱাৰ বাবে বিভিন্ন ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰা হ'ব।

ooooo

গ্লাচগ'ত অনুষ্ঠিত কমনৱেল্থ গেমছৰ বক্সিঙত আজি মহিলাৰ ৫১ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ সাক্ষী চৌধুৰীয়ে ছেমিফাইনেলত  প্ৰৱেশ কৰে আৰু দেশৰ হকে কমেও ব্ৰঞ্জৰ পদক নিশ্চিত কৰে। সাক্ষীয়ে কোৱাৰ্টাৰ ফাইনেলত উত্তৰ আয়াৰলেণ্ডৰ কেইটলীন ফ্ৰায়াৰ্ছক ৫-০ ফলাফলত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। সাক্ষী- লাভলীনা বৰগোহাই, প্ৰীতি পাৱাৰ, প্ৰিয়া ঘনঘাছ আৰু যদুমণি সিঙৰ পাছত এইবাৰৰ কমলৱেল্‌ছ গেমছত দেশৰ হকে পদক নিশ্চিত কৰা পঞ্চমগৰাকী ভাৰতীয় বক্সাৰ। ইয়াৰ পূৰ্বে গুলবীৰ সিঙে পুৰুষৰ ১০ হাজাৰ মিটাৰ দৌৰত ৰূপৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে। গুলবীৰ এই শিতানত পদক অৰ্জন কৰা দেশৰ প্ৰথমগৰাকী এথলীট। একেদৰে হৰজিন্দৰ কৌৰে মহিলাৰ ভাৰোত্তোলনৰ ৬৯ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক লাভ কৰে। খেলুৱৈগৰাকীয়ে সামগ্ৰিকভাৱে ২২৭ কিলোগ্ৰাম ভাৰ উত্তোলন কৰি এই কৃতীত্ব লাভ কৰে। ইয়াকে লৈ ভাৰতে এইবাৰৰ প্ৰতিযোগিতাত এতিয়ালৈকে ২ টা সোণ, ৭ টা ৰূপ আৰু ৩ টা ব্ৰঞ্জসহ মুঠ ১২ টা পদক অৰ্জন কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ